১৫ চেপ্টেম্বৰ, ২০১৬

**‘R’ ক্ষেপক বৰ্ণ সহ, সংখ্যা পেনেলত সংখ্যাবোৰ আৰোহী আকাৰত থকাকৈ আৰু উত্তোলিত মুদ্ৰণ নোহোৱাকৈ ₹ 20 বেংক-নোট জাৰী**

ভাৰতীয় ৰিজাৰ্ভ বেংকে সোনকালে মহাত্মা গান্ধী ছিৰিজ-২০০৫ৰ উভয় সংখ্যা পেনেলত ‘R’ ক্ষেপক বৰ্ণ আৰু অপৰ পিঠিত মুদ্ৰণ চন ২০০৬ সহ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্নৰ ড. উৰ্জীত আৰ পেটেলৰ চহীযুক্ত ₹ 20 বেংক-নোট জাৰী কৰিব।

নিম্নোক্ত বিষয় ব্যতিৰেকে আগতে জাৰী কৰা মহাত্মা গান্ধী ছিৰিজ-২০০৫ৰ ₹ 20 বেংক-নোটৰ দৰে ডিজাইন আৰু সুৰক্ষা বৈশিষ্ঠ্যবোৰ একে থাকিব ।

*সন্মুখ পিঠি*

**আৰোহী বৰ্ণ**

উভয় সংখ্যা পেনেলত থকা সংখ্যাবোৰ বাওঁ ফালৰ পৰা সোঁ ফাললৈ আৰোহী আকাৰত হব আনহাতে আল্ফা নিউমেৰিক বৰ্ণবোৰ(উপসৰ্গ) একে ৰূপত থাকিব।

**উত্তোলিত মুদ্ৰণ**

ইমানদিনে উত্তোলিত মুদ্ৰণৰ “20” সংখ্যাটো, আৰবিআই মোহৰ, মহাত্মা গান্ধীৰ প্ৰতিকৃতি, আৰবিআই লিজেন্ড, গেৰান্টী আৰু প্ৰতিশ্ৰুতি দফা, গৱৰ্নৰৰ চহী,অশোক স্তম্ভৰ প্ৰতীক অফ ছেটত মুদ্ৰণ কৰা হব (উত্তোলিত মুদ্ৰণ নোহোৱাকৈ)। আকৌ, বেংক-নোটৰ বাওঁ ফালে থকা আয়তাকাৰ চিনাক্তকৰণ চিন্হ আতৰাই দিয়া হৈছে।

**ৰং**

নোটখনৰ উলোটা পৃষ্ঠৰ ৰঙৰ কোনো সালসলনি ঘটোৱা নাই । কিন্তু সমূখ পৃষ্ঠৰ ৰং পাতল কৰা হৈছে (উত্তোলিত মুদ্ৰণ গুচ্ছাই দিয়া বাবে )।

**অন্তৰ্নিহিত প্ৰতিকৃতি**

মহাত্মা গান্ধী চিত্ৰৰ সোঁফালে থকা উলম্ব বেণ্ডত আগতে এক অন্তৰ্নিহিত প্ৰতিকৃতিৰ ৰূপত নোটৰ সংখ্যা “২০” দেখা পোৱা গৈছিল । ইয়াক কেৱল চকুৰ স্তৰৰ

সমান্তৰালকৈ নোটখন ৰাখিলেহে দেখা পোৱা গৈছিল । এই বিশেষতা এতিয়াৰ পৰা উপলব্ধ নহব ।

## উলোটা পৃষ্ঠ

বেংক নোটখনৰ উলোটা পৃষ্ঠত কোনো সালসলনি ঘটোৱা নাই ।

বেংক নোটখনৰ নমুনাৰ প্ৰতিকৃতি এনে ধৰণৰ –







বেংকৰ দ্বাৰা পূৰ্বতে জাৰি কৰা ₹ ২০ মূল্যবৰ্গৰ সকলো বেংকনোট এতিয়াও বৈধ হৈ থাকিব ।

অজিত প্ৰসাদ

সহকাৰী পৰামৰ্শদাতা

**প্ৰেচ প্ৰকাশণী : ২০১৬-২০১৭/৬৭৮**